# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 18-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::**

এদিনৰ বিৰতিৰ মূৰত অসম বিধানসভাৰ বাজেট অধিবেশন কাইলৈৰ পৰা দিশপুৰত অনুষ্ঠিত হ'ব। কাইলৈ সদনত প্ৰশ্নোত্তৰ কালৰ পাছতেই ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা আলোচনা হ'ব। আমাৰ সংবাদদাতাই জনোৱা মতে, কালি কোকৰাঝাৰত অনুষ্ঠিত বাজেট অধিবেশনৰ প্ৰথম দিনাৰ বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দাখিল কৰা বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনত প্ৰকাশিত কেতবোৰ প্ৰসংগ সন্দৰ্ভতো সদনত শূন্যকালত আলোচনা হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ২০১৩ আৰু ২০১৪ বৰ্ষৰ অসম লোকসেৱা আয়োগে নিৰ্বাচন কৰা অসামৰিক সেৱাৰ বিষয়াৰ নিযুক্তত হোৱা কেলেংকাৰী সন্দৰ্ভত উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাই প্ৰায় ৩ বছৰ পূৰ্বেই প্ৰতিবেদন দাখিল কৰিছিল যদিও এই প্ৰতিবেদন বিধানসভাত দাখিল কৰা হোৱা নাছিল।

২০ ফেব্ৰুৱাৰীত অসম বিধানসভাৰ বাজেট অধিবেশনৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হোৱাৰ পাছত পৰৱৰ্তী দহ দিন সদনৰ বৈঠক অনুষ্ঠিত নহয়। ৩ মাৰ্চৰ পৰা ৭ মাৰ্চ শুকুৰবাৰলৈ সদনৰ বৈঠক অনুষ্ঠিত হ'ব। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ৰাজ্যখনৰ সাধাৰণ বাজেট উত্থাপন কৰিব। বাজেট সম্পৰ্কীয় আলোচনাৰ বাবে ১১ আৰু ১২ মাৰ্চৰ দিন দুটা আছুতিয়াকৈ ৰখা হৈছে। ১৩ মাৰ্চৰ পৰা ২০ মাৰ্চলৈ সদনৰ স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে সদনৰ কাম-কাজ স্থগিত থাকিব। ২১, ২৪ আৰু ২৫ মাৰ্চত সদনৰ কাম-কাজ অনুষ্ঠিত হ'ব আৰু ২৫ মাৰ্চত অসম বিধানসভাৰ অধিবেশন অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিধানসভা অধিবেশন অনুষ্ঠিত হোৱা দিনত প্ৰতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ মিনিটৰ বাবে ***বিধানসভাত আজিৰ দিনটো*** প্ৰচাৰ কৰিব। ইয়াৰ উপৰি ১০ মাৰ্চত বিত্তমন্ত্ৰীয়ে সদনত দিয়া বাজেট ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ প্ৰচাৰ কৰিব। ০০০০

০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বঙাইগাঁও জিলাৰ যোগীঘোপাত অভ্যন্তৰীণ জল পৰিবহণ টাৰ্মিনেল উদ্বোধন কৰে আৰু পতাকা জোকাৰি বাংলাদেশ অভিমুখী এখন মালবাহী জাহাজৰ যাত্ৰাৰ শুভাৰম্ভ কৰে।

৮২ কোটি টকাৰ ব্যয় সাপেক্ষে ব্ৰহ্মপুত্ৰ নদীৰ সমীপত ১৫ একৰ পৰিসৰত নিৰ্মাণ কৰা এই প্ৰকল্পৰ জৰিয়তে চুবুৰীয়া ৰাষ্ট্ৰ ভূটান আৰু বাংলাদেশৰ সৈতে বাণিজ্যিক সম্পৰ্ক অধিক সুচল হৈ পৰিব। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে এই প্ৰকল্পই অঞ্চলটোৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰিব আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। এই প্ৰকল্পই এক্ট-ইষ্ট নীতিৰ অধীনত পৰিবহণৰ যোগেদি পৰিৱৰ্তনৰ মন্ত্ৰৰে অভ্যন্তৰীণ জল পৰিবহণ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব শ্ৰীসোণোৱালে উল্লেখ কৰে।

অনুষ্ঠানত অংশ লৈ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই কয়, যে এতিয়াৰে পৰা যোগীঘোপা আন্তঃৰাষ্ট্ৰীয় জলপথ যোগাযোগৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে বিবেচিত হ'ব। এই আভ্যন্তৰীণ জলপথ প্ৰকল্পই ৰাজ্যখনৰ বাণিজ্যিক আৰু অৰ্থনৈতিক বিকাশত সুদূৰপ্ৰসাৰী ভূমিকা পালন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত ভূটানৰ উদ্যোগ, বাণিজ্য আৰু নিয়োগ মন্ত্ৰী নামগিয়াল দৰ্জী, সাংসদ ফণীভূষণ চৌধুৰী, ৰকিবুল হুছেইন, মন্ত্ৰী ৰণজিৎ কুমাৰ দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ০০০

০০০০

উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি বঙাইগাওঁত বৈতামাৰীস্থিত অসম পেট্ৰ'কেমিকেলছ্ লিমিটেডৰ নিৰ্মীয়মান ২০০ টিডিপি উৎপাদনক্ষম ফৰ্মেলিন প্ৰকল্পটো পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্যৰ বুজ লয়। তেওঁ লগতে বিষয়া কৰ্মচাৰীসকলৰ সৈতে মত  বিনিময় কৰে। এই প্ৰকল্পটোৱে ফৰ্মেলিনৰ  উৎপাদন বৃদ্ধি কৰাৰ লগতে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব আৰু ৰাজ্যৰ অৰ্থনীতিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ০০০০

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গুৱাহাটীৰ জনতা ভৱনত ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগমৰ বিষয়া মায়ংক ভাটনাগৰ, ড° স্মিতা চেতিয়া তালুকদাৰ, এফ খান, শিলাদিত্য চৰকাৰ আৰু শ্যামজ্যোতি ডেকাৰ সৈতে বৈঠকত মিলিত হয়। শিক্ষামন্ত্ৰীগৰাকীয়ে তেওঁলোকৰ সৈতে ৰাজ্যৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, সাধাৰণ ডিগ্ৰী মহাবিদ্যালয় আৰু কাৰিকৰী প্ৰতিষ্ঠানসমূহত সাধাৰণ পাঠ্যক্ৰমৰ সৈতে দক্ষতা শিক্ষাক একত্ৰিত কৰাৰ বিষয়ে আলোচনা কৰে। তেওঁ লগতে ইয়াৰ ৰূপায়ণৰ বাবে বিষয়াসকলক ৰূপৰেখা প্ৰস্তুত কৰিবলৈ আহ্বান জনায়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম বৰ্ষৰ ছেম্পিয়ন ৰাজস্থান ৰয়েলছে আজিৰে পৰা গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত অনুশীলন আৰম্ভ কৰিছে। প্ৰথম দিনাৰ অনুশীলনত আজি অসম সন্তান ৰিয়ান পৰাগ, নিতিশ ৰাণা, ধ্ৰুৱ জুৰেল, বৈভৱ সূৰ্যবংশী, অশোক শৰ্মা, আকাশ মাধৱাল আৰু সন্দীপ শৰ্মাই ভাগ লয়। ২২ ফেব্ৰুৱাৰীলৈ এই বিশেষ শিবিৰ অনুষ্ঠিত হ'ব। দুখনকৈ মেচ খেলিবলৈ অহা ৰাজস্থান ৰয়েলছে অসম তথা উত্তৰ পূৰৰ অনুৰাগীক এইবাৰ ষ্টেডিয়ামত খেলুৱৈৰ অনুশীলন উপভোগ কৰাৰ সুযোগ দিব। ক্ৰিকেটপ্ৰেমীসকলে ২১ ফেব্ৰুৱাৰীৰ সন্ধিয়া ৭ বজাৰ পৰা নিশা এঘাৰ বজালৈ হ'বলগীয়া অনুশীলন উপভোগ কৰিব পাৰিব। ইয়াৰ বাবে টিকটৰ প্ৰয়োজন নহ'ব।

০০০০

সমাপ্ত